# ভাৰতীয় জনতা পাৰ্টী

(কেন্দ্ৰীয় কাৰ্যালয়)
১১, অশোক ৰোড, নতুন দিল্লী-১১০০০১
ফোনঃ ০১১-২৩০৭০৫৭৭০, ফেক্সঃ ০১১-২৩০০৫৭৮৭

তাং-২৮ ফেব্ৰুৱাৰী ২০১৩

## বাজেট সন্দৰ্ভত লোকসভাৰ বিৰোধী নেত্ৰী সুষমা স্বৰাজ আৰু ৰাজ্যসভাৰ বিৰোধী নেতা অৰুণ জেটলিৰ যুটীয়া বিবৃত্তি

আজি সংসদত যি বাজেট দাখিল কৰা হ'ল, ভাৰতীয় অৰ্থনীতিৰ বাবে তাত একো নাই। প্ৰতিকূল পৰিস্থিতিত বিত্তমন্ত্ৰীয়ে এই বাজেট দাখিল কৰিছে। ইউ পি এ-ৰ নীতিৰ অসাৰতাই দেশৰ অৰ্থনীতিক এক ভয়ঙ্কৰ দিশে লৈ গৈছে। বিত্তমন্ত্ৰী নিজেই অসহায় আছিল। তেওঁ কিবা কৰিব পৰাকৈ কোনো স্থান নাছিল।

সেয়েহে তেওঁ যি বাজেট দাখিল কৰিছে তাত নীতি আৰু কৰ ব্যৱস্থাৰ সামান্য কিছু পৰিৱৰ্তন দেখা গৈছে মাথোঁ। অনেক কথা কোৱা হৈছে যদিও বাজেটত উচ্চাকাংক্ষা নাই। ভাৰতীয় উৎপাদন খণ্ডক সবল কৰাৰ কাৰণে সামান্য পদক্ষেপ লোৱা হৈছে। কৃষি খণ্ডক চৰকাৰে অৱহেলা কৰিছে। আন নালাগে সাধাৰণ নাগৰিকৰ কথা বাজেটত নাই। ৰপ্তানি বৃদ্ধি, মুদ্ৰাস্ফীতি হ্ৰাস তথা টকাৰ স্থিতি সবল কৰাৰ কাৰণে কোনো পদক্ষেপৰ কথা বাজেটত নাই। দেশৰ অৰ্থনৈতিক বিকাশক ৫ শতাংশলৈ নমাই আনি ইউ পি এ চৰকাৰে এই বাজেটত পুনৰ ৯ শতাংশ অৰ্থনৈতিক বিকাশৰ দিশে দেশক আগুৱাই নিয়াৰ কাৰণে কোনো পদ্ধতিৰ কথা উল্লেখ কৰিব পৰা নাই।

বাজেটত মাথোঁ বক্তব্যৰে খেলা কৰা হৈছে। প্ৰত্যক্ষ আৰু পৰোক্ষ কৰৰ ক্ষেত্ৰত কৰৰ হাৰ বৃদ্ধি কৰা হৈছে। খৰছৰ পৰিমাণ হয় অধিক কমোৱা হৈছে বা যিমান প্ৰয়োজন সেয়া আগবঢ়োৱা হোৱা নাই। এইদৰে খৰছৰ পৰিমাণ কম কৰি বা প্ৰয়োজন অনুসৰি পুঁজি আগ নবঢ়াই চলিত বৰ্ষ তথা পৰৱৰ্তী বৰ্ষৰ বাবে আৰ্থিক ঘাটিক অতি দৃষ্টিকটুভাৱে অগ্ৰাহ্য কৰা হৈছে। এনে ধৰণৰ উদাহৰণ বিস্তৃত বাজেটত অনেক আছে। এই বছৰ খাদ্য সুৰক্ষাৰ বাবে ৭৫ হেজাৰ কোটি টকা ৰখা হৈছিল। সংশোধিত পৰিমাণ আছিল ৮০ হেজাৰ কোটি টকা। আগন্তুক বিত্তীয় বৰ্ষৰ বাবে এই পৰিমাণ হ্ৰাস কৰি ৬০ হেজাৰ কোটি টকা কৰা হ'ল আৰু বিত্তমন্ত্ৰীয়ে দাবী কৰিলে তেওঁ অতিৰিক্ত ১০ হেজাৰ কোটি টকা দিছে। তাৰমানে প্ৰকৃততে ৫ হেজাৰ কোটি টকা বাঢ়িলে। খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত সেয়েহে প্ৰভাৱ সামান্য হ'ব। স্বাস্থ্য মিছনৰ শিতানত এইবাৰ বাজেটত ৰখা হৈছে ১৮ হেজাৰ ৫১৫ কোটি টকা। সংশোধিত এষ্টিমেটৰ বাবে ৰখা হৈছিল ১৫ হেজাৰ ৪১১ কোটি টকা। এইক্ষেত্ৰত আগন্তুক বৰ্ষৰ বাজেটত মাথোঁ ৩ হেজাৰ কোটি টকা বৃদ্ধি কৰা হৈছে। এনে ধৰণৰ উদাহৰণ অনেক আছে। যিদৰে পঞ্চায়তী ৰাজ। ইউ পি এ-ৰ প্ৰধান প্ৰকল্প মহাত্মা গান্ধী এনৰেগাৰ বাবে প্ৰথমে ৪০ হেজাৰ কোটি টকা দিয়া হৈছিল। বিগত দুটা বৰ্ষত সেই ৰাশি কমাই ৩৩ হেজাৰ কোটি টকা কৰা হৈছে। এই বছৰ প্ৰকৃত পুঁজি ৰখা

হৈছে ২৯ হেজাৰ ৩৮৭ কোটি টকা। আগন্তুক বৰ্ষত হয়তো আৰু কম টকা দিয়া হ'ব পাৰে। দেখুৱাবৰ বাবে বিত্তমন্ত্ৰীয়ে ৩৩ হেজাৰ কোটি টকা ৰাখিছে এইটো জানিব পাৰি যে- সেই টকা খৰছ নহ'ব। ব্যৰ্থতাৰ সকলোতকৈ উৎকৃষ্ট উদাহৰণ হ'ল প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ বাবে ৰখা হৈছে ২৯৬৭৭ কোটি টকা। এইটো বছৰৰ সংশোধিত পৰিমাণ হ'ল তাৰ ৪০ শতাংশ বা ৮১০০ কোটি টকা। এই বছৰ নিৰ্ধাৰিত পুঁজি ১৫ হেজাৰ ৬৯০ কোটি টকা বৃদ্ধি কৰা হৈছে।

এতিয়া ইউ পি এ-ৰ সকলোতকৈ গুৰুত্বপূৰ্ণ প্ৰকল্প হ'ল পোনেপোনে টকা দৰিদ্ৰসকলৰ একাউন্টত জমা কৰি দিয়া বা কেছ ট্ৰেন্সফাৰ প্ৰকল্প। ২৬ টা প্ৰকল্পৰ বাবে সন্মিলিতভাৱে ৰখা হৈছে ৫৫৯৫ কোটি ২ লাখ টকা। আজিলৈকে প্ৰকৃততে খৰছ হৈছে ৫ কোটি ৩৮ লাখ টকা। এই প্ৰকল্পকে কোৱা হৈছে ভাৰতীয় ৰাজনীতিৰ গেম চেঞ্জাৰ বা ৰূপ সলনি কৰা দিয়া প্ৰকল্প।

এই বাজেটত এটা সতৰ্কতা আছে। পেট্ৰ'লিয়াম ৰাজ সাহায্য ৯৬ হেজাৰ ৯৮০ কোটি টকাৰ পৰা হ্ৰাস কৰি ৬৫ হেজাৰ কোটি টকালৈ কম কৰাৰ কথা কোৱা হৈছে। এয়া এক সংকেত যে- পেট্ৰ'ল, ডিজেল আৰু ৰন্ধন গেছৰ মূল্য আৰু বাঢ়িব।

এই বাজেট কোনো নীতি সংক্ৰান্ত বিবৃত্তি। ই কোনো দিশ পৰিৱৰ্তন কৰা নাই। এয়া এক হিচাপ-নিকাছৰ চেষ্টা, য'ত খৰছ যথেষ্ট পৰিমাণে কম কৰা হৈছে যি বৃদ্ধি পোৱাৰ কোনো সম্ভাৱনা নাই। এই বাজেটৰ দ্বাৰা অৰ্থনৈতিক বিকাশ সম্ভৱ নহয়। দৰিদ্ৰ, দুৰ্বল শ্ৰেণী আৰু মধ্যবিত্তসকল এই বাজেটৰ ফলত সকলোতকৈ বেছি ক্ষতিগ্ৰস্ত হ'ব।

আৰ কে সিনহা

সচিব, বিজেপি সংসদীয় দল